**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 03-03-2025 **Time :** 1205 Hrs

***Assamese Midday Bulletin***

অসম বিধানসভাৰ বাজেট অধিৱেশনৰ আজি চতুৰ্থ দিনা প্ৰশ্ন-উত্তৰেৰে বিধানসভাৰ কাৰ্যসূচী আৰম্ভ হয়। ৯ দিনৰ বিৰতিৰ মূৰত দিছপুৰত পুনৰ আৰম্ভ হোৱা অধিৱেশনত আজি ৭ টা প্ৰশ্ন উত্থাপন কৰা হয়। অধিৱেশনৰ আৰম্ভণিতে কংগ্ৰেছ সাংসদ ৰকিবুল হুছেইনক নগাঁৰৰ ৰাজপথত আক্ৰমণ কৰা সন্দৰ্ভত কংগ্ৰেছে সভা স্থগিত প্ৰস্তাৱ উত্থাপন কৰে। কংগ্ৰেছৰ বিধায়ক ৰাজেদ আলী চৌধুৰীয়ে এই আক্ৰমণৰ ঘটনাৰ তদন্ত কিধৰণে আগবাঢ়িছে, সেই বিষয়ে প্ৰশ্ন কৰে। তেওঁ চৰকাৰে এই সন্দৰ্ভত কেতিয়া বিবৃতি প্ৰদান কৰিব সেই সন্দৰ্ভত প্ৰশ্ন উত্থাপন কৰে। সেই অনুসৰি সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে এটা বিবৃতি সদনত প্ৰকাশ কৰে। মন্ত্ৰীগৰাকীয়ে এই ঘটনাৰ তদন্ত মধ্য অসমৰ আৰক্ষী মহা পৰিদৰ্শকৰ হাতত ন্যস্ত কৰা হৈছে বুলি অৱগত কৰে। চৰকাৰে নিৰাপত্তাৰ ক্ষেত্ৰত কোনোধৰণৰ আপোচ নকৰে বুলিও মন্ত্ৰী শ্ৰী পাটোৱাৰীয়ে সদনক জনায়। চৰকাৰৰ এই উত্তৰত বিৰোধী দল সন্তুষ্ট নোহোৱাত এই বিষয়টো লৈ তেওঁলোকে পুনৰ প্ৰতিবাদ কৰে। বিৰোধীয়ে তোলা সভাস্থগিত প্ৰস্তাৱত অনুমতি দিব নোৱাৰে বুলি অধ্যক্ষই প্ৰকাশ কৰে। লগে লগে ৰাইজৰ দলৰ বিধায়ক অখিল গগৈ আৰু চি পি আই এমৰ বিধায়ক মনোৰঞ্জন তালুকদাৰে অধ্যক্ষৰ আসনৰ ওচৰলৈ গৈ তেওঁলোকৰ দাবীসমূহ উত্থাপন কৰিবলৈ ধ্বনি দিয়ে। অধ্যক্ষই এই দাবী অগ্ৰাহ্য কৰি বিদ্যাচিং ইংলেঙক শূন্যকালত বিষয়টো উত্থাপন কৰিবলৈ কয়। শ্ৰী ইংলেঙে বিষয়টো উত্থাপন কৰে যদিও সদনত হুলস্থূলীয়া পৰিৱেশৰ সৃষ্টি হয়। বিধায়ক কমলাক্ষ দে পুৰকায়স্থৰ এটা প্ৰশ্নৰ উত্তৰত মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে কয়, যে অসমৰ থানাসমূহত ৰুজু হৈ থকা ১৭ হাজাৰ ৯০০ৰো অধিক গোচৰ নিষ্পত্তি কৰা হৈছে। ১৩ হাজাৰৰো অধিক গোচৰ নিষ্পত্তি কৰিবলৈ বৰ্তমান বাকী আছে বুলি শ্ৰী পাটোৱাৰীয়ে কয়। ইয়াৰ পাছতে কংগ্ৰেছ, চি পি আই এম আৰু ৰাইজৰ দলে সদন ত্যাগ কৰে।

আজিৰপৰা পৰা শুকুৰবাৰলৈ চলিবলগীয়া সদনৰ বৈঠকৰ সময়ছোৱাত কেইবাখনো বিধেয়ক উত্থাপন হোৱাৰ সম্ভাৱনা আছে। ১০ মাৰ্চত বিত্তমন্ত্ৰী অজন্তা নেওগে সদনত ২০২৫-২৬ বিত্তীয় বৰ্ষৰ বাবে বাজেট উত্থাপন কৰিব। ১১ আৰু ১২ মাৰ্চত বাজেট সন্দৰ্ভত আলোচনা অনুষ্ঠিত হ'ব। ১৩ৰ পৰা ২০ মাৰ্চলৈ সদনৰ স্থায়ী সমিতিসমূহৰ বৈঠকৰ বাবে বিধানসভাৰ কাম-কাজ স্থগিত থাকিব। ২১, ২৪ আৰু ২৫ মাৰ্চত পুনৰ সদনৰ কাৰ্যক্ৰমণিকা অনুষ্ঠিত হ'ব। ২৫ মাৰ্চত অসম বিধানসভাৰ এইবাৰৰ অধিৱেশন অনিৰ্দিষ্টকালৰ বাবে স্থগিত ৰখা হ'ব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই বাজেট সন্দৰ্ভত কিবা বিশেষ পৰামৰ্শ থাকিলে, সেই পৰামৰ্শ সমূহ সামাজিক মাধ্যমযোগে তেওঁক অৱগত কৰিবলৈ আহ্বান জনাইছে। বিশেষকৈ বিভিন্ন বিষয়ৰ উদ্ভাৱনীমূলক পৰামৰ্শ আগবঢ়াবলৈ তেওঁ জনসাধাৰণক আহ্বান জনাইছে। বহিঃৰাজ্যত থকা অসমীয়াসকলে তেওঁলোকে বসবাস কৰি থকা ৰাজ্যসমূহত কিবা নতুন কাম হৈছে নেকি সেই বিষয়টো মুখ্যমন্ত্ৰীক জনাব পাৰিব বুলি তেওঁ সামাজিক মাধ্যমযোগে উল্লেখ কৰিছে। মুখ্যমন্ত্ৰীগৰাকীয়ে কালি সামাজিক মাধ্যম ফে'চবুকৰ জৰিয়তে বিভিন্ন বিষয়ত মন্তব্য কৰাৰ লগতে জনসাধাৰণৰ প্ৰতি এই আহ্বান জনায়।

আকাশবাণী গুৱাহাটী কেন্দ্ৰই বিধানসভা অধিৱেশন অনুষ্ঠিত হোৱা দিনত প্ৰতি নিশা ৯ বাজি ১৫ মিনিটৰ পৰা ১০ মিনিটৰ বাবে **বিধানসভাত আজিৰ দিনটো** শীৰ্ষক অনুষ্ঠান প্ৰচাৰ কৰিব। তদুপৰি ১০ মাৰ্চত বিত্তমন্ত্ৰীয়ে সদনত দিয়া বাজেট ভাষণ আকাশবাণী গুৱাহাটী কেন্দ্ৰই পোনপটীয়াকৈ সম্প্ৰচাৰ কৰিব।

oooooooo

গুৱাহাটী মহানগৰীৰ ছয়মাইলত উৰণ সেঁতুৰ নিৰ্মাণকাৰ্যৰ সৈতে জড়িত কেতবোৰ প্ৰয়োজনীয় কাম-কাজ সুচলভাবে সম্পন্ন কৰাৰ উপৰি অঞ্চলটোৰে আহ-যাহ কৰা জনসাধাৰণৰ সুৰক্ষাৰ প্ৰতি লক্ষ্য ৰাখি মহানগৰ আৰক্ষীৰ উপ-আয়ুক্তই কিছু নিৰ্দেশনা জাৰি কৰিছে। এই অনুসৰি আজিৰ পৰা কাৰ্যকৰী হোৱাকৈ নিশা চাৰে ১১ বজাৰ পৰা পুৱতি নিশা চাৰে ৪ বজালৈ উৰণ সেঁতুৰ কাম সম্পূৰ্ণ নোহোৱা পৰ্যন্ত যান-বাহনৰ চলাচল কিছু নিয়ন্ত্ৰণ কৰা হ'ব। ছয়মাইলৰ উৰণ সেঁতু আৰু ডাউন টাউন হাস্পতালৰ মাজত এই সময়ছোৱাত যান-বাহনৰ চলাচল বন্ধ থাকিব। খানাপাৰাৰ দিশৰ পৰা পাঞ্জাবাৰী নাইবা জয়ানগৰ অভিমুখী যান-বাহনসমূহ নিয়মিতভাৱে চলাচল কৰি থাকিব পাৰিব। চচল আৰু আনন্দ নগৰৰ দিশৰ পৰা দিছপুৰ

অভিমুখী যান-বাহনসমূহ এই সময়ছোৱাত জয়ানগৰ হৈ বেলতলা বজাৰ পথেৰে ছাৰ্ভে হৈ লাষ্টগেটলৈ যাব পাৰিব বুলিও নিৰ্দেশনাটোত কোৱা হৈছে। গণেশগুৰিৰ দিশৰ পৰা খানাপাৰালৈ যোৱা বাহনসমূহ চুপাৰ মাৰ্কেট উৰণ সেঁতুৰে লাষ্টগেট হৈ যাব পাৰিব।

oooooooo

দক্ষিণ শালমাৰা মানকাচৰ জিলাৰ অতিৰিক্ত আৰক্ষী অধীক্ষক প্ৰতাপ দাসৰ তত্বাৱধানত জিলাখনৰ উপ-আৰক্ষী অধীক্ষক, উপ-পৰিদৰ্শক আৰু খাৰুৱাবান্ধা আৰক্ষীৰ সহযোগত ফকিৰগঞ্জৰ পৰা কালি বিয়লি ৩ জন চাইবাৰ অপৰাধীক গ্ৰেপ্তাৰ কৰা হয়। গ্ৰেপ্তাৰ কৰা অপৰাধীকেইজন ক্ৰমে – আশাদুল ইছলাম, হাছানুৰ জামান আৰু কোবাদ আলী মোল্লা বুলি জানিব পৰা গৈছে। হেকমত আলী নামৰ আন এজন অপৰাধী পলায়ন কৰে যদিও আৰক্ষীয়ে অপৰাধীজনৰ সন্ধানত অভিযান চলাই আছে। অপৰাধীকেইজনে কেইবাটাও বিদেশী এপৰ জৰিয়তে মেঘালয়ৰ প্ৰায় দুহেজাৰ লোকৰ মাজত অধিক লাভৰ প্ৰলোভনেৰে ন্যূনতম ৫০ হাজাৰ টকাকৈ বিনিয়োগ কৰাইছিল। ধৃত অপৰাধীকেইজনৰ পৰা আৰক্ষীয়ে দুটা লেপটপ আৰু ৮ টাকৈ ম’বাইল জব্দ কৰে।

oooooooo

ইন্দিজেনাছ পিপ’ল্‌ছ অব্ মৌং ডুন চুন খাম নৰ্থ ইষ্ট ইণ্ডিয়াৰ উদ্যোগত আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ টাই-আহোম ছাত্ৰ সন্থাৰ সহযোগত কালি বিশ্ববিদ্যালয়খনৰ স্নাতকোত্তৰ ছাত্ৰ সন্থাৰ কাৰ্যালয়ত টাই-আহোম ভাষা-সংস্কৃতিৰ এখন কৰ্মশালা অনুষ্ঠিত হয়। এই কৰ্মশালাত ঝাৰখণ্ডৰ ছনা দেৱী বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য ড° লিপি ঘোষ মুখ্য অতিথি হিচাপে উপস্থিত থাকে। এই উপলক্ষে কালি বিয়লি উত্তৰ পূৰ্বাঞ্চলৰ খিলঞ্জীয়াসকলৰ ইতিহাস আৰু সাংস্কৃতিক ঐতিহ্য সন্দৰ্ভত আলোচনা অনুষ্ঠিত হয়। আয়োজক সংগঠনটোৰ সচিব প্ৰধান অনুপ আৰান্ধনাৰ সঞ্চালনাত আয়োজিত আলোচনাচক্ৰত বিশিষ্ট চিন্তাবিদ, লেখক ইছমাইল হুছেইন, আন্তঃৰাষ্ট্ৰীয় সংস্থা ইকেপৰ গৱেষক চাও হেমজিৎ দেওধাই ফুকনৰ লগতে কেইবাগৰাকীও ব্যক্তি উপস্থিত থাকে। এই কাৰ্যসূচীত গুৱাহাটী আৰু কটন বিশ্ববিদ্যালয়ৰ ৩০ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। ইন্দিজেনাছ পিপ’ল্‌ছ অব্ মৌং ডুন চুন খাম নৰ্থ ইষ্ট ইণ্ডিয়াৰ মুখ্য উপদেষ্টা নীলাম্বৰ গগৈৰ উদ্যোগত কালিৰ অনুষ্ঠানত ৫টা প্ৰস্তাৱ গ্ৰহণ কৰা হয়। ইয়াৰ ভিতৰত ৰাষ্ট্ৰসংঘৰ খিলঞ্জীয়া অধিকাৰ চনদ উত্তৰ-পূৰ্বাঞ্চলত সম্পূৰ্ণৰূপে কাৰ্যকৰী কৰা, সমগ্ৰ উত্তৰ-পূৱত আন্তঃদেশীয় পাৰপত্ৰৰ ব্যৱস্থা কৰাকে ধৰি গুৰুত্বপূৰ্ণ বিষয়সমূহ অন্তৰ্ভুক্ত হৈছে।

oooooooo

সমাপ্ত